# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাত আজিৰ পৰা পোষণ পখেকৰ শুভাৰম্ভণি ঘটিছে। কামৰূপ জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আমিনগাঁৱৰ লোকনিৰ্মাণ বিভাগৰ সভাগৃহত পোষণ পখেকৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পোষণ পখেকৰ শুভাৰম্ভ কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে বছৰৰ প্ৰতি দিনতে জিলাখনৰ শিশুসকলক স্বাস্থ্যৰ যতন আৰু সুৰক্ষা ল'বলৈ জিলাখনৰ প্ৰতিটো বিভাগক আহ্বান জনায়। পোষক পখেকৰ কাৰ্যসূচীত জিলাখনৰ আয়ুস, স্বাস্থ্য, জনস্বাস্থ্য, শিক্ষা বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। অহা ১৫ দিনৰ ভিতৰত জিলাখনৰ মাতৃগৰ্ভত শিশুৰ পঞ্চামৃত আৰু নৱজাতক শিশুৰ অন্নপ্ৰাসন্ন অনুষ্ঠিত হ'ব বুলি সমাজ কল্যাণ বিভাগৰ বিষয়া ভূপেন ভট্টাচাৰ্যই অনুষ্ঠানত জানিবলৈ দিয়ে। পোষণ পখেকত জিলাখনত থকা ৩ হাজাৰ ১১৭টা অংগনৱাড়ী কেন্দ্ৰত যিকোনো শিশু, গৰ্ভৱতী আৰু প্ৰসূতিৰ লগতে কিশোৰীসকলে নিজাববীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

দৰং জিলাতো পোষণ পখেকৰ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ মঙলদৈত থকা জিলা আয়ুক্তৰ সভাকক্ষত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

ooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি পূৱ বাঘচোং উন্নয়ন খণ্ডৰ কাৰ্যালয় আৰু ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়ত পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। জিলাখনত আজি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু  বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। জিলা প্ৰশাসনে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া

নিয়োগ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ মাৰনাস্ত্ৰ অনুজ্ঞাপত্ৰ থকা সকলো লোককে তেওঁৰ মাৰনাস্ত্ৰসমূহ সংশ্লিষ্ট আৰক্ষী থানাত ৭ দিনৰ ভিতৰত জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। কোনো সংস্থা, প্ৰতিষ্ঠান, বিভাগ অথবা ব্যক্তি বিশেষে মাৰনাস্ত্ৰ জমা দিয়াৰ পৰা ৰেহাই বিচাৰিলে অনুজ্ঞাপত্ৰৰ সবিশেষ তথ্যসহ ইয়াৰ কাৰণ দৰ্শাই লিখিতভাৱে জিলা দণ্ডাধীশক আবেদন জনাব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০

বজালী আৰক্ষীয়ে অভিযান চলাই দুচকীয়া বাহন চুৰিকাৰ্যত জড়িত এটা আন্তঃৰাষ্ট্ৰীয় চক্ৰ উৎখাত কৰিবলৈ সমৰ্থ হয়। বজালীৰ আৰক্ষী অধীক্ষক অজাগৌৰণ বসুমতাৰীয়ে আজি এখন সংবাদ মেলযোগে কয়, যে যোৱা নিশা চক্ৰটোৰ মুঠ ছজন চোৰক কৰায়ত্ত কৰে। চক্ৰটোৱে অসমকে ধৰি বিভিন্ন ৰাজ্য তথা চুবুৰীয়া দেশ বাংলাদেশত চুৰি বাহন সৰবৰাহ কৰি আহিছে বুলিও আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ সদৰি কৰা অনুসৰি অভিযানৰ সময়ত তিনিখন মটৰচাইকেল, মেঘালয়ৰ বহুকেইখন অবৈধ নম্বৰ প্লেট, বাহনৰ ছাবিকে বহু আপত্তিজনক সামগ্ৰী আৰু নথি জব্দ কৰা হৈছে। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞা, পাঠশালা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপজ্যোতি পাটিৰি আৰু উপ-পৰিদৰ্শক বিষ্ণু কমল ভূঞাৰ নেতৃত্বত বজালী আৰক্ষীৰ এটা দলে বাক্সাৰ বাগানপাৰাত অভিযান চলাই চোৰ ছজনক কৰায়ত্ত কৰিবলৈ সমৰ্থ হয়।

০০০০

বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই এইবাৰ বৰপেটা বঁটা ৰাষ্ট্ৰীয়  খ্যাতিসম্পন্ন সংগীত শিল্পী তৰালী শৰ্মাক প্ৰদান কৰিব। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই পহিলা ব'হাগত উদযাপন কৰিবলগীয়া ৰঙালী বিহুৰ অনুষ্ঠানত শিল্পীগৰাকীক বৰপেটা বঁটা প্ৰদান কৰিব। আজি বৰপেটাত অনুষ্ঠিত এখন সংবাদমেলত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অবিনাশ কুমাৰে এই কথা প্ৰকাশ কৰে।

০০০০

অসম আৰক্ষীৰ এক কোটি কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনোৱা অনুসৰি বিগত কেইসপ্তাহমানত ৰাজ্য চৰকাৰৰ উদ্যোগত ৭ হাজাৰ ৭১৩ গৰাকী কৰ্মচাৰীক সামৰি ৬৮টা স্ক্ৰীনিং শিবিৰ অনুষ্ঠিত কৰা হৈছে।

০০০০

মহানগৰীৰ চানমাৰি আৰক্ষীয়ে কেইবাটাও স্থানত অভিযান চলাই ৯ জন চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। গুৱাহাটীৰ মাছখোৱা আৰু পাণ্ডুত অভিযান চলাই আৰক্ষীয়ে বৃহৎ পৰিমাণ চুৰি সামগ্ৰীও উদ্ধাৰ কৰিছে।

০০০০০

সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগৰ আজি দিল্লীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। আদিবাসীসকলৰ অনুসূচীকৰণ, চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি, ভূমি অধিকাৰৰ লগতে বিভিন্ন সমস্যা সন্দৰ্ভত সততে মাত মাতি অহা নাগৰ আকস্মিক মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু মন্ত্ৰী অশোক সিংহলৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শোক প্ৰকাশ কৰে। নাগৰ মৃত্যু আদিবাসী সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

ধুবুৰীৰ বিলাসীপাৰা নিবাসী লেখিকা, অভিনেত্ৰী তথা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ প্ৰাক্তন ঘোষক গীতালী বৰুৱাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা লেখিকাগৰাকীৰ মৃত্যুত বিলাসীপাৰাত শোকৰ ছাঁ পৰে।

০০০০

সমাপ্ত